# 2022

## ASSAMESE

Paper : ASM-HC-4026

( অসমীয়া ভাষাৰ সমাহৰণ ঃ আৰ্যভাষা আৰু আৰ্য-ভিন্ন ভাষা )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) ভাৰতবৰ্ষত প্ৰৱেশ কৰা ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ ঠালটোক কি নামেৰে অভিহিত কৰা হয়?

(খ) পৃথিৱীৰ সৰ্ববৃহৎ ভাষা-পৰিয়ালটোৰ নাম কি?

(গ) ইণ্ডো-ইৰাণীয় লোকসকলে নিজকে কি বুলি গৰ্ব অনুভৱ কৰিছিল?

(ঘ) আৰ্যসকল ভাৰতলৈ অহাৰ সময়ত কি গ্ৰন্থ লগত লৈ আহিছিল?

(ঙ) ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশক কেইটা স্তৰত ভাগ কৰা হয়?

(চ) চীন-তিব্বতীয় ভাষাগোষ্ঠীৰ অন্তৰ্গত উত্তৰ-অসম উপশাখাৰ এটা ভাষাৰ নাম লিখা।

(ছ) অসমীয়া ভাষাটো 'শৌৰসেনী আৰু মাগধী অপভ্ৰংশৰ মিশ্ৰণ' বুলি কোনগৰাকী ভাষাবিদে মন্তব্য কৰিছে?

(জ) কামৰূপৰ মানুহৰ ভাষা মধ্য-ভাৰতৰ ভাষাতকৈ অলপ বেলেগ বুলি চীনা পৰিব্ৰাজক হিউৱেন চাঙে কোন শতিকাত মত পোষণ কৰিছিল?

(ঝ) 'অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ' শীৰ্ষক গ্ৰন্থখনৰ প্ৰণেতা কোন?

(ঞ) বাণীকান্ত কাকতিয়ে তেখেতৰ গৱেষণাৰ আধাৰত ৰচনা কৰা গ্ৰন্থখনৰ নাম কি?

(ট) খাছীভাষা কোনটো ভাষা-পৰিয়ালৰ অন্তৰ্গত?

(ঠ) বিৰিঞ্চি কুমাৰ বৰুৱাই জুলি, জুৰি, পুৰ আদি স্থানবাচক নামৰ অন্তত থকা শব্দাংশ কি ভাষা-পৰিয়ালৰ ভাষাৰ পৰা অহা বুলি অনুমান কৰিছে?

(ড) দ্ৰাবিড়ীয় ভাষা-পৰিয়ালৰ ভাষা এটাৰ নাম উল্লেখ কৰা।

(ঢ) উড়িয়া ভাষাৰ 'মণিসমানে' শব্দৰূপৰ অসমীয়া অৰ্থ কি?

(ণ) মাগধী গোষ্ঠীৰ একেবাৰে পশ্চিমৰ ভাষাটো কি?

২। চমুকৈ উত্তৰ লিখা (যি কোনো পাঁচটা) : ২×৫=১০

(ক) প্ৰাচীন কামৰূপৰ হিন্দু ৰজাসকলৰ তামৰ ফলিত বক্ষিত অসমীয়া ঠাইৰ নাম বুজোৱা দুটা শব্দ উল্লেখ কৰা।

(খ) কোন দুটা ভাষাক বাণীকান্ত কাকতিয়ে এক মান্য মাগধী অপভ্ৰংশৰ উপভাষা আখ্যা দিছে?

(গ) উপেন্দ্ৰনাথ গোস্বামীয়ে কামৰূপী (অসমীয়া) ভাষাটো "মূলতঃ দুটা প্ৰবাহৰ সমষ্টি" বুলি মন্তব্য কৰিছে। এই প্ৰবাহ দুটা কি কি?





(ঘ) আৰ্যসকলে অসমত বসতি স্থাপন কৰাৰ পূৰ্বে অসমত থকা দুটা ভাষা-পৰিয়ালৰ নাম লিখা।

(ঙ) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত দুটা ভাষাৰ নাম লিখা।

(চ) অসমীয়া ভাষাত শৌৰসেনী প্ৰাকৃতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ছ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা 'হৰতাল' আৰু 'ভেজাল' শব্দ দুটা কোন দুটা ভাষাৰ পৰা আহিছে?

(জ) পাৰছী ভাষাৰ পৰা অসমীয়ালৈ অহা দুটা শব্দৰ উদাহৰণ দিয়া।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) ভাৰতৰ আৰ্যভিন্ন ভাষা-পৰিয়াল

(খ) উত্তৰকালীন অসমীয়া ভাষাৰ উপাদানৰ নিদৰ্শন

(গ) সাহিত্যিক প্ৰাকৃত

(ঘ) কামৰূপী প্ৰাকৃত

(ঙ) মধ্যভাৰতীয় আৰ্যভাষা

(চ) অসমীয়া ভাষাত প্ৰাক্-বৈদিক উপাদান

(ছ) উত্তৰ-পূৰ্বাঞ্চলত অসমীয়া ভাষাৰ স্থিতি

(জ) বাণীকান্ত কাকতিৰ অসমীয়া ভাষা চৰ্চা

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) অসমীয়া ভাষাৰ উদ্ভৱত প্ৰভাৱ বিস্তাৰ কৰা আৰ্যভিন্ন থলুৱা জনগোষ্ঠীসমূহৰ বিষয়ে এক সম্যক ধাৰণা দিয়া।

(খ) আৰ্যসকলে ক'ৰ পৰা, কেনেকৈ আৰু কোন সময়ত অসমলৈ প্ৰব্ৰজন কৰি অসমীয়া ভাষা সম্প্ৰদায়ৰ গঠন কৰিছিল, বিস্তাৰিতভাৱে লিখা।

(গ) অসমীয়া ভাষাৰ উদ্ভৱ মাগধী প্ৰাকৃতৰ পৰা হোৱা বুলি মন্তব্য কৰা ভাষাবিদসকলৰ উল্লেখ কৰি অসমীয়া ভাষাত মাগধী প্ৰাকৃতৰ উপাদান সম্পৰ্কে এক বস্তুনিষ্ঠ আলোচনা আগবঢ়োৱা।

(ঘ) মাগধী প্ৰাকৃতৰ বাহিৰে অন্য কি কি প্ৰাকৃতে অসমীয়া ভাষাৰ গঠনত প্ৰভাৱ পেলাইছে বুলি ভাষাবিদসকলে মন্তব্য কৰিছে? এইক্ষেত্ৰত তোমাৰ অভিমত ব্যক্ত কৰা।

(ঙ) নব্য-ভাৰতীয় আৰ্যভাষা বুলিলে কি বুজা? এই স্তৰৰ ভাষাসমূহৰ সম্যক পৰিচয় দাঙি ধৰা।

(চ) অষ্ট্ৰিক ভাষা-পৰিয়ালৰ চমু পৰিচয় দাঙি ধৰি অসমীয়া ভাষাত এই পৰিয়ালৰ ভাষাৰ কি কি উপাদান পৰিলক্ষিত হয়, উদাহৰণসহ বৰ্ণনা কৰা।

(ছ) অসমীয়া ভাষাত তিব্বত-বৰ্মীয় ভাষা-পৰিয়ালৰ উপাদান সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(জ) দ্ৰাবিড় ভাষা-পৰিয়াল বুলিলে কি বুজা? অসমীয়া ভাষাত দ্ৰাবিড় পৰিয়ালৰ ভাষাৰ কি কি উপাদান পৰিলক্ষিত হয়, উল্লেখ কৰা।

(ঝ) অসমীয়া ভাষাৰ সৈতে ভোজপুৰী আৰু উড়িয়া ভাষাৰ সম্বন্ধ বিচাৰ কৰা।

(ঞ) সাম্প্ৰতিক অসমীয়া ভাষা বুলিলে কি বুজা? এই ভাষাৰ স্বৰূপ সম্পৰ্কে এক নাতিদীৰ্ঘ আলোচনা প্ৰস্তুত কৰা।

★ ★ ★

**2022**

ASSAMESE

Paper : ASM–HC–4036

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। তলৰ যি কোনো দহটা প্ৰশ্নৰ উত্তৰ লিখা : ১×১০=১০

(ক) 'ৰুক্মিণী হৰণ' নাটকত ৰুক্মিণীয়ে শ্ৰীকৃষ্ণৰ ওচৰলৈ পঠোৱা দূতজনৰ নাম কি আছিল?

(খ) "নন্দ যশোদাৰ কলহ"—ইয়াত 'কলহ' শব্দৰ অৰ্থ কি?

(গ) মাধৱদেৱে ৰচনা কৰা নাটকক কি বুলি কোৱা হয়?

(ঘ) ভট্টদেৱৰ আচল নাম কি?

(ঙ) 'গুৰু-সেৱা মাহাত্ম্য' পাঠটিৰ মূল ক'ৰ পৰা সংগ্ৰহ কৰা হৈছে?

(চ) 'অদ্ভূদ ৰামায়ণ' কোনে ৰচনা কৰিছিল?

(ছ) যুদ্ধাদিত্য কোন আছিল?

(জ) 'কথা গুৰু চৰিত' প্ৰথমে কোনে সম্পাদনা কৰি উলিয়াইছিল?

(ঝ) শংকৰদেৱ আৰু মাধৱদেৱৰ 'মণিকাঞ্চন সংযোগ' ক'ত ঘটিছিল?

(ঞ) অসমত বুৰঞ্জী লিখা প্ৰথা প্ৰথমতে কোনে আৰম্ভ কৰিছিল?

(ট) 'বাঁহ গড়ীয়া বুৰঞ্জী'ৰ প্ৰণেতা কোন?

(ঠ) অসমীয়া লিপিৰ মূল কি?

(ড) 'ঘোঁৰা নিদান' কোনে ৰচনা কৰিছিল?

(ঢ) ৰামসিংহ কোন আছিল?

(ণ) বকুল কায়স্থই ৰচনা কৰা যি কোনো এখন ব্যৱহাৰিক সাহিত্য-পুথিৰ নাম লিখা।

২। তলৰ যি কোনো পাঁচটা প্ৰশ্নৰ চমু উত্তৰ দিয়া : ২×৫=১০

(ক) 'বড়াৰ পো' বুলি কোনে, কাক সম্বোধন কৰিছিল?

(খ) চামধৰা গড়ৰ ৰণজয়ৰ শিলালিপি প্ৰথমতে কোনে পাঠ উদ্ধাৰ কৰি, ক'ত প্ৰকাশ কৰিছিল?

(গ) 'হস্তিবিদ্যাৰ্ণৱ পুঁথি'ৰ ছবিবোৰ কোন দুগৰাকী শিল্পীয়ে অংকন কৰিছিল?

(ঘ) শংকৰোত্তৰ যুগৰ যি কোনো দুটা সাহিত্যিক ধাৰাৰ নাম লিখা।





(ঙ) 'বুৰঞ্জী' শব্দৰ অৰ্থ ব্যাখ্যা কৰা।

(চ) ৰুক্মিণীৰ পিতৃ-মাতৃৰ নাম কি কি আছিল?

(ছ) অসমীয়া ভাষাৰ দুখন মন্ত্ৰপুথিৰ নাম লিখা।

(জ) "সতিনীৰ চেড়ীতো অধিক ভৈলি।" কথাষাৰ কোনে, কাক কৈছিল?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) মাধৱদেৱৰ নাট্যকৃতি সম্পৰ্কে এটি পৰিচয়মূলক টোকা যুগুত কৰা।

(খ) বুৰঞ্জী সাহিত্যৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি?

(গ) চৰিত পুথিৰ গদ্য সম্পৰ্কে এটি চমু আলোচনা দাঙি ধৰা।

(ঘ) 'ৰুক্মিণী হৰণ' নাটৰ অন্তৰ্গত 'ৰুক্মিণীৰ প্ৰেমপত্ৰ'খনৰ যোগেদি ৰুক্মিণী চৰিত্ৰৰ কোনবোৰ দিশ উজ্জ্বলি উঠিছে, চমুকৈ লিখা।

(ঙ) গোপালচৰণ দ্বিজে তিনি প্ৰকাৰৰ গুৰুৰ বিষয়ে কেনেধৰণৰ ব্যাখ্যা আগবঢ়াইছে, লিখা।

(চ) ব্যৱহাৰিক সাহিত্য বুলিলে কি বুজা, চমুকৈ লিখা।

(ছ) পুৰণি অসমীয়া যি কোনো পাঁচখন লিপিৰ নাম উল্লেখ কৰা।

(জ) অৰ্জুনৰ মনলৈ কি কি কাৰণত বিষাদ নামি আহিছিল?

৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) 'ৰামৰ বন গমন' পাঠৰ আধাৰত ৰাম চৰিত্ৰটোৰ এটি সামগ্ৰিক আলোচনা আগবঢ়োৱা।

(খ) 'অৰ্জুন ভঞ্জন নাট'ৰ অন্তৰ্গত 'নন্দ যশোদাৰ কলহ' অংশটোৰ কথাখিনি নিজৰ ভাষাৰে খৰচি-মাৰি লিখা।

(গ) অংকীয়া নাটৰ প্ৰধান বৈশিষ্ট্যসমূহ কি কি? প্ৰতিটো বৈশিষ্ট্যৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(ঘ) অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সন্দৰ্ভত এটি আলোচনা যুগুত কৰা।

(ঙ) চন্দ্ৰকান্ত সিংহ স্বৰ্গদেউৰ গোপনীয় পত্ৰৰ গদ্যৰীতি সন্দৰ্ভত এটি তথ্যপূৰ্ণ আলোচনা যুগুত কৰা।

(চ) ভট্টদেৱৰ জীৱন আৰু সাহিত্যকৃতি সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

(ছ) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠৰ আধাৰত দুয়োগৰাকী গুৰু-শিষ্যৰ ব্যক্তিত্ব সম্পৰ্কে কি কি জানিব পাৰি, বিচাৰ কৰা।

(জ) অসমীয়া লোক-সাহিত্যত মন্ত্ৰ-সাহিত্যৰ প্ৰভাৱ সম্পৰ্কে ব্যাখ্যা কৰি এটি আলোচনা আগবঢ়োৱা।

(ঝ) 'হস্তিবিদ্যাৰ্ণৱ' কি বিষয়ৰ পুথি? পুথিখনৰ বিষয়ে এটি সামগ্ৰিক আলোচনা যুগুত কৰা।

(ঞ) অসমীয়া বুৰঞ্জী সাহিত্যৰ গতি-প্ৰকৃতি সম্পৰ্কে এখন ৰচনা লিখা।

★★★

# 2022

## ASSAMESE

Paper : ASM–SE–4014

( Skill Enhancement Course )

*Full Marks* : 50

*Time* : 2 hours

*The figures in the margin indicate full marks for the questions*

১। এটা শব্দ বা বাক্যত উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১×৪=৪

(ক) কল্পনাৰ প্ৰাথমিক উপাদান কি?

(খ) ইংৰাজ কবি ক'লেৰিজৰ মতে কল্পনাৰ ভাগ কেইটা?

(গ) কল্পনা শক্তি বৃদ্ধিৰ বাবে প্ৰয়োজনীয় এটি কাৰ্য কি?

(ঘ) সৃজনীমূলক ৰচনাৰ প্ৰধান উপাদান কি?

(ঙ) আধুনিক অসমীয়া কবিতাত ব্যৱহৃত এটি ছন্দৰ নাম লিখা।

(চ) "কবিতা হ'ল শব্দৰ খেল" বুলি কোনে কৈছিল?

(ছ) গল্পৰ প্ৰধান উপাদান কি?

(জ) গল্পৰ আৰম্ভণি কেনেদৰে হয়?

২। চমুকৈ উত্তৰ দিয়া (যি কোনো তিনিটা) : ২×৩=

(ক) কল্পনাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) সৃজনীমূলক সাহিত্য ৰচনাৰ বাবে লেখকৰ প্ৰয়োজনীয় দুটা অৰ্হতাৰ বিষয়ে উল্লেখ কৰা।

(গ) ৰোমাণ্টিক আৰু সাম্প্ৰতিক কবিতাৰ দুটা পাৰ্থক্য উল্লেখ কৰা।

(ঘ) আধুনিক কবিতাৰ ভাষাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) গল্প আৰু কবিতাৰ দুটা পাৰ্থক্য লিখা।

(চ) গল্পকাৰসকলে ক্ষেত্ৰ অধ্যয়নৰ পৰা লাভ কৰিব পৰা দুটা সুফল কি কি?

৩। চমু টোকা লিখা (যি কোনো দুটা) : ৫×২=১০

(ক) সৃষ্টিশীল লেখাত কল্পনাৰ গুৰুত্ব

(খ) কল্পনাৰ প্ৰকাৰ

(গ) আধুনিক কবিতাত প্ৰতীকৰ ব্যৱহাৰ

(ঘ) আধুনিক কবিতাৰ ছন্দৰীতি

(ঙ) গল্পৰ আংগিক

(চ) গল্পৰ প্লট





৪। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৩=৩০

(ক) কল্পনাৰ এটি ধাৰণা ব্যক্ত কৰি কবিতাত কল্পনাৰ স্থান সম্পৰ্কে বহলাই লিখা।

(খ) কল্পনাৰ কৰ্ষণ বুলিলে কি বুজা? কল্পনা কৰ্ষণৰ বিভিন্ন উপায়সমূহৰ বিষয়ে বিৱৰি লিখা।

(গ) সৃষ্টিশীল ৰচনাৰ বাবে লেখকে আহৰণ কৰিবলগীয়া যোগ্যতা সম্পৰ্কে আলোচনা কৰা।

(ঘ) আধুনিক কবিতাৰ এটি সংজ্ঞা দাঙি ধৰি ইয়াৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা।

(ঙ) আধুনিক কবিতাৰ অন্যতম বৈশিষ্ট্য 'অৰ্থ ঘনত্ব' সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(চ) আধুনিক কবিতাত দ্বিতীয় বিশ্বযুদ্ধৰ দ্বাৰা প্ৰভাৱিত সমাজ-জীৱনৰ ছবিখন কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ছ) গল্পৰ উপাদানসমূহ কি কি, বহলাই আলোচনা কৰা।

(জ) সৃষ্টিশীল লেখকৰ বাবে ক্ষেত্ৰ অধ্যয়নৰ প্ৰয়োজনীয়তা সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

★★★

# 2022

## ASSAMESE

## ( Modern Indian Language )

Paper : ASM–CC–4016

**( Adhunik Asamiya Sahitya )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) কবি হীৰেন ভট্টাচাৰ্যই কোনখন কবিতাপুথিৰ বাবে ‘সাহিত্য অকাডেমী বঁটা’ লাভ কৰিছিল ?

(খ) ‘মৰ্মান্তিক’ কবিতাটো কবিগৰাকীৰ কোনখন কবিতাপুথিৰ অন্তৰ্গত ?

(গ) ৰাম গগৈৰ কবিতাত কি আদৰ্শবাদৰ প্ৰভাৱ বিশেষভাৱে পৰিলক্ষিত হয় ?

(ঘ) অসমীয়া চুটিগল্পৰ জনক বুলি কাক কোৱা হয় ?

(ঙ) সৌৰভ কুমাৰ চলিহাৰ যি কোনো এখন গল্পপুথিৰ নাম লিখা।

(চ) ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ ‘বানপ্ৰস্থ’ গল্পটো গল্পকাৰৰ কোনখন গল্পসংকলনৰ অন্তৰ্গত ?

(ছ) গল্পকাৰ অৰূপা পটঙ্গীয়া কলিতাৰ এখন উপন্যাসৰ নাম লিখা।

(জ) 'আৱাহন' আলোচনীৰ প্ৰথমগৰাকী সম্পাদকৰ নাম লিখা।

(ঝ) 'কংগ্ৰেছৰ কাঁচিয়লি ৰ'দত' শীৰ্ষক গ্ৰন্থখনিৰ লেখক কোন?

(ঞ) 'মণিৰাম দেৱানৰ ফাঁচি' প্ৰৱন্ধটি লেখকৰ কোনখন গ্ৰন্থৰ অন্তৰ্গত?

(ট) কোন চনত মণিৰামক ফাঁচি দিয়া হৈছিল?

(ঠ) ডিম্বেশ্বৰ নেওগৰ কবিতাপুথি এখনৰ নাম লিখা।

(ড) জ্যোতিপ্ৰসাদ আগৰৱালাৰ প্ৰথম নাটকখনৰ নাম কি?

(ঢ) 'লভিতা' নাটকৰ বিষয়বস্তুৰ পটভূমি কি?

(ণ) 'লভিতা' নাটকৰ নায়িকা লভিতাক নিৰাশ্ৰয় অৱস্থাত আশ্ৰয়দান কৰা ইছলামধৰ্মী বৃদ্ধ চৰিত্ৰটোৰ নাম কি?

২। অতি চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) আধুনিক কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) ড০ নিৰ্মলপ্ৰভা বৰদলৈয়ে কোনখন কবিতাপুথিৰ বাবে, কোন চনত সাহিত্য অকাডেমী বঁটা লাভ কৰিছিল?

(গ) এডগাৰ এলেন পোৱে চুটিগল্প সন্দৰ্ভত আগবঢ়োৱা সংজ্ঞাটি দাঙি ধৰা।

(ঘ) আৱাহন যুগৰ চুটিগল্পৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) বেণুধৰ শৰ্মাই ৰচনা কৰা দুখন জীৱনীগ্ৰন্থৰ নাম লিখা।





(চ) ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ পৰা সহযোগ কৰাৰ অপৰাধত আছামী হোৱা প্ৰধান তথা প্ৰথম আৰু দ্বিতীয় আছামী কোন কোন আছিল, উল্লেখ কৰা।

(ছ) বনৰীয়া গীত মানে কি?

(জ) 'লভিতা' নাটকৰ দুটা পুৰুষ চৰিত্ৰৰ নাম লিখা।

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) আধুনিক অসমীয়া কবিতালৈ হীৰেন ভট্টাচাৰ্যই আগবঢ়োৱা অৱদান সম্পৰ্কে চমুকৈ আলোচনা কৰা।

(খ) 'পথাৰ' কবিতাৰ মাজত মাৰ্ক্সীয় দৰ্শন কিদৰে প্ৰত্যক্ষ কৰা যায়, আলোচনা কৰা।

(গ) ৰামধেনু যুগৰ গল্পৰ সাধাৰণ বৈশিষ্ট্যবোৰ দাঙি ধৰা।

(ঘ) ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ 'বানপ্ৰস্থ' গল্পত দাৰিদ্ৰ্যপীড়িত জীৱনৰ ছবি কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(ঙ) 'বীণাকুটীৰ' গল্পৰ মাজত নাগৰিক জীৱনৰ কেনে প্ৰতিচ্ছবি দাঙি ধৰিবলৈ চেষ্টা কৰা হৈছে, বৰ্ণনা কৰা।

(চ) 'মণিৰাম দেৱানৰ ফাঁচি' শীৰ্ষক প্ৰবন্ধত মণিৰাম দেৱানক ক'ত, কিদৰে ফাঁচি দিয়া হৈছিল, বৰ্ণনা কৰা।

(ছ) বনঘোষা বা বনৰীয়া গীতৰ সৈতে প্ৰকৃতিৰ সম্পৰ্ক কেনেকুৱা, ব্যাখ্যা কৰা।

(জ) 'লভিতা' নাটকত সন্নিৱিষ্ট গীতসমূহৰ প্ৰাসঙ্গিকতা সম্বন্ধে আলোচনা কৰা।

৪। উত্তৰ দিয়া (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) ড০ নিৰ্মলপ্ৰভা বৰদলৈৰ কাব্য পৰিক্ৰমা উল্লেখ কৰি 'মৰ্মান্তিক' কবিতাটিৰ মাজত কৃষিজীৱী জীৱনৰ ছবি কিদৰে পৰিস্ফুট হৈছে, আলোচনা কৰা।

(খ) ৰাম গগৈক অসমীয়া প্ৰগতিশীল কবিতাৰ এগৰাকী অন্যতম বাটকটীয়া হিচাপে 'পথাৰ' কবিতাৰ আধাৰত বিচাৰ কৰা।

(গ) অসমীয়া সাহিত্যলৈ ড০ ভবেন্দ্ৰ নাথ শইকীয়াৰ অৱদানৰ উল্লেখ কৰি 'বানপ্ৰস্থ' গল্পৰ মূল বিষয়বস্তুৰ এক পৰিচয় দাঙি ধৰা।

(ঘ) অৰূপা পটঙ্গীয়া কলিতাৰ 'দেওপাহাৰৰ ভগ্নস্তূপ' শীৰ্ষক গল্পত দুৰ্দশাগ্ৰস্ত আৰু দুখ-বেদনাৰে প্ৰপীড়িত লোকৰ ছবি দেওপাহাৰত কিদৰে খোদিত হৈ আছে, আলোচনা কৰা।

(ঙ) মণিৰাম দেৱানৰ বিচাৰ প্ৰক্ৰিয়াৰ বিষয়ে উল্লেখ কৰি ফাঁচিৰ দিনাখন যোৰহাটত সমৱেত হোৱা মানুহ আৰু প্ৰকৃতিৰ অৱস্থা কেনে হৈছিল, বৰ্ণনা কৰা।

(চ) লোকগীত বুলিলে কি বুজা? বনগীত বা বনঘোষাৰ মূল বিষয়বস্তু সম্বন্ধে এটি আলোচনা যুগুত কৰা।

(ছ) স্বাধীনোত্তৰ কালৰ অসমীয়া চুটিগল্পৰ গতি-প্ৰগতি সম্বন্ধে এটি আলোচনা দাঙি ধৰা।

(জ) বেণুধৰ শৰ্মাৰ সাহিত্যকৃতি উল্লেখ কৰি তেওঁৰ গদ্যৰীতি সম্বন্ধে এটি প্ৰবন্ধ যুগুত কৰা।

(ঝ) 'অসমীয়া নাট্য সাহিত্যলৈ জ্যোতিপ্ৰসাদৰ অৱদান' শীৰ্ষক এটি প্ৰবন্ধ যুগুত কৰা।

(ঞ) 'লভিতা' নাটকৰ মাজেৰে '৪২ৰ গণআন্দোলনৰ সময়ৰ অসমীয়া সমাজৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ প্ৰতিচ্ছবি কিদৰে প্ৰকাশিত হৈছে, আলোচনা কৰা।

★★★